- প্ৰচলিত চিহ্নৰ সহায়ত স্কেল, দিশ আদি উপাদানসহ কাষৰীয়া অঞ্চলৰ মানচিত্ৰ অংকণ কৰিব পাৰিব।
- গ্ৰহণ সম্পৰ্কে থকা অন্ধবিশ্বাসবোৰৰ ওপৰত সমালোচনাত্মক পৰীক্ষা-নিৰীক্ষা চলাব পাৰিব।
- ইতিহাস লিখনৰ ক্ষেত্ৰত ইতিহাসৰ বিভিন্ন সমলসমূহ, যেনে— প্ৰত্নতাত্ত্বিক সমল, সাহিত্যিক সমলৰ প্ৰাসংগিকতা আলোচনা কৰিব পাৰিব।
- ভাৰতৰ মানচিত্ৰত ঐতিহাসিক স্থান, ক্ষেত্ৰ আদি চিনাক্ত কৰিব পাৰিব।
- আদিম মানৱৰ সংস্কৃতি আৰু বিকাশৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যবোৰৰ চিনাক্ত কৰিব পাৰিব।
- ৰাজ্য আৰু বংশবোৰৰ উল্লেখনীয় অৱদান, যেনে— অশোকৰ লিপি, গুপ্তমুদ্ৰা, পল্লৱসকলৰ ৰথ-মন্দিৰ আদিৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।
- আদিম যুগৰ বিভিন্ন উত্তৰণসমূহ যেনে— চিকাৰ আৰু খাদ্য সংগ্ৰহৰ স্তৰ, খেতিৰ আৰম্ভণি স্তৰ, সিন্ধু উপত্যকাৰ প্ৰথম নগৰৰ উত্থান আদিৰ ব্যাখ্যা কৰিব পাৰিব আৰু সমসাময়িক স্থানবোৰৰ উত্তৰণৰ সৈতে সম্পৰ্ক নিৰ্ণয় কৰিব পাৰিব।
- বিভিন্ন সময়ত ৰচিত সাহিত্যবোৰত উল্লেখিত বিষয়, ঘটনা আৰু ব্যক্তিসকলৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।
- ভাৰতৰ ধৰ্ম, শিল্পকলাৰ দ্বাৰা প্ৰভাৱান্বিত ইয়াৰ ওচৰ-চুবুৰীয়া অঞ্চলসমূহৰ থূলমূল আভাস পাব।
- সংস্কৃতি আৰু বিজ্ঞান বিশেষকৈ জ্যোতিষ শাস্ত্ৰ, চিকিৎসা, অংক শাস্ত্ৰ, বিভিন্ন ধাতুৰ জ্ঞানৰ ক্ষেত্ৰখনত ভাৰতৰ বৰঙণিৰ থূলমূল আভাস পাব।
- ঐতিহাসিক বিকাশৰ বিভিন্ন তথ্যবোৰৰ সংশ্লেষণ কৰিব শিকিব।
- অতীত যুগৰ বিভিন্ন ধৰ্ম আৰু চিন্তাধাৰাৰ মূল ধাৰণা আৰু প্ৰমূল্যসমূহৰ বিশ্লেষণ কৰিবলৈ শিকিব।
- নিজৰ চৌপাশৰ মানৱীয় বৈচিত্ৰতাৰ বিভিন্ন ৰূপ ব্যাখ্যা কৰিব পাৰিব।
- বিভিন্ন ধৰণৰ ভেদাভেদৰ বিষয়ে বুজিব আৰু ভেদাভেদৰ প্ৰকৃতি আৰু উৎস চিনাক্তকৰণ কৰিব পাৰিব।
- সমতা আৰু অসমতাৰ পাৰ্থক্য বুজি সেইবোৰ আঁতৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব।
- চৰকাৰ বিশেষকৈ স্থানীয় পৰ্যায়ৰ চৰকাৰৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।
- কেন্দ্ৰীয়/ৰাজ্যিক/প্ৰাদেশিক আৰু স্থানীয় চৰকাৰবোৰ চিনাক্ত কৰিব পাৰিব।
- গ্ৰাম্য আৰু চহৰ অঞ্চলৰ স্বাস্থ্য, শিক্ষা, আদি খণ্ডবোৰৰ ক্ষেত্ৰত স্থানীয় স্বায়ত্ত শাসনৰ কাৰ্য ব্যাখ্যা কৰিব পাৰিব।
- গ্ৰাম্য আৰু চহৰ অঞ্চলৰ জীৱিকাৰ ক্ষেত্ৰখনত থকা পাৰ্থক্যৰ কাৰকসমূহ ব্যাখ্যা কৰিব পাৰিব।



# ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্বন্ধে অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলৰ বাবে প্ৰচাৰ পত্ৰিকা

## ষষ্ঠ শ্ৰেণী



সত্যমেৱ জয়তে
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

এন সী ই আৰ টী
NCERT

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়োঁ, সকলোৰে আগবাঢ়োঁ

# অসমীয়া

**ছাত্ৰ-ছাত্ৰীয়ে—**

- দেখা, শুনা স্থানীয় সামাজিক ঘটনা আৰু অনুষ্ঠান সন্দৰ্ভত যুক্তিপূৰ্ণ মতামত দিব পাৰিব।
- সাধু, গল্প, কাহিনী, কবিতা/পদ্য আদি পঢ়ি নিজাববীয়াকৈ সজাই-পৰাই ক্ৰম ৰক্ষা কৰি ক'ব পাৰিব, প্ৰশ্ন সুধিব পাৰিব আৰু নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব পাৰিব।
- বৈদ্যুতিন মাধ্যম (ৰেডিঅ', টি.ভি আদি)ত প্ৰচাৰিত বক্তৃতা, ভাষণ, চলন্ত বিৱৰণী, বিজ্ঞাপন, বা-বাতৰি, কথোপকথন, প্ৰতিবেদন আদি শুনি বুজিব আৰু বাস্তৱ জীৱনত অনুকৰণ কৰি প্ৰয়োগ কৰিব পাৰিব।
- বিভিন্ন পৰিৱেশত পৰিৱেশন কৰা গীত-মাত, গল্প, ওজা-পালি, সাধু, কবিতা, কাহিনী আদি শুনি বুজিব পাৰিব।
- উৎসৱ, মেলা, খেল, আকস্মিকভাৱে ঘটা ঘটনাৰ হুবহু বৰ্ণনা কৰিব পাৰিব।
- সাঁথৰ, কুইজ, তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি কথন-কৌশলৰ বিকাশ ঘটাব পাৰিব।
- নিজৰ বিদ্যালয়, গাঁও আৰু স্থানীয় সমল আদিৰ বিষয়ে ক'ব পাৰিব।
- জাতীয় সাহিত্য-সংস্কৃতি, ঐতিহ্য-পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়ি তাৰ বিষয়ে জানিবলৈ আগ্ৰহ বৃদ্ধি হ'ব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎ লোকৰ জীৱনী পঢ়ি তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জানিব, বুজিব আৰু তেওঁলোকৰ আদৰ্শ নিজৰ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- কবিতা, গীত আদি গাব আৰু আবৃত্তি কৰিব আৰু কৌতুক, নাটক, ভাওনা আদিত নাটকীয় ভংগীৰে সংলাপ ক'ব পাৰিব।
- টেলিফোনত মান্য ভাষাত বাৰ্তালাপ কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিব।
- জাননীফলক, বাতৰি-কাকত, ইণ্টাৰনেটত তালিকা, চাৰ্ট, ছবি, মেপ আদি পঢ়ি তথ্য আহৰণ কৰিব পাৰিব।
- বাতৰি-কাকত, শিশু আলোচনী, স্মৃতিগ্ৰন্থ, নাটিকা, প্ৰাসংগিক পুথি আদি বিভিন্ন বিষয়ৰ লিখনি পঢ়ি মানৱীয় প্ৰমূল্যবোধ আহৰণ কৰিব পাৰিব।
- শ্ৰেণী কোঠা, প্ৰাতঃসভা, ৰে'লষ্টেচন, বজাৰ, বিমান-বন্দৰ, চিনেমা হল আদিত থকা লিখিত বিভিন্ন নিৰ্দেশনা পঢ়ি আৰু ঘোষণা শুনি পালন কৰিব পাৰিব।
- যিকোনো বিষয় পৰ্যৱেক্ষণ কৰি বিশ্লেষণ আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পৰা দক্ষতা আহৰণ কৰি মৌখিক আৰু লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।
- কবিতা, সাধু, গল্প, কাহিনী আদিৰ সাৰাংশ/মূলভাব আৰু প্ৰশ্নোত্তৰ লিখিব পাৰিব।
- পাঠ্যপুথি আৰু পাঠ্যপুথি বহিৰ্ভূত অন্যান্য পঠন সামগ্ৰীত থকা সামাজিক দায়বদ্ধতা সম্বন্ধীয় দিশবোৰ বুজি সেইবোৰ মান্যভাষাত/ব্ৰেইল পদ্ধতিত লিখিব পাৰিব।
- পাঠ্যপুথিত থকা বিভিন্ন প্ৰশ্নৰ উত্তৰ মৌখিক আৰু লিখিত ৰূপত দিব পাৰিব।
- প্ৰতিলিপি আৰু শ্ৰুতলিপিৰ জৰিয়তে লিখনৰ শুদ্ধতা আৰু দ্ৰুততা বাঢ়িব।
- বিদ্যালয় আৰু সামাজিক পৰিৱেশত অনুষ্ঠিত খেল, স্থানীয় খেল, নাটক, উৎসৱ আদি চাই এই সন্দৰ্ভত ৰচনা লিখিব পাৰিব।
- বিদ্যালয়ৰ আলোচনী, প্ৰাচীৰ পত্ৰিকা, বাতৰি-কাকত আদিত প্ৰকাশৰ বাবে সৃষ্টিশীল গল্প, কবিতা, প্ৰবন্ধ, ৰচনা আদি লিখি প্ৰেৰণ কৰিব পাৰিব।
- স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, পানী, বিদ্যুৎ, খাদ্য সংৰক্ষণ, প্ৰকৃতিৰ প্ৰতিপালন আদিৰ বিষয়ে পঢ়ি সমাজত সজাগতা বৃদ্ধি কৰিব পাৰিব।
- শৃংখলাবোধ, নিয়মানুবৰ্তিতা, সাধুতা, সহযোগিতা আৰু দেশপ্ৰেমমূলক লিখনি পঢ়ি বাস্তৱ জীৱনত এইবোৰ প্ৰয়োগ কৰিব পাৰিব।
- সাঁথৰ, জতুৱা ঠাঁচ, প্ৰৱচন আদি পঢ়ি, বুজি, লিখি এইবোৰ বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- বানপানী, ভূমিকম্প আদিৰ বিভিন্ন বিষয়ে ৰচনা লিখিব পাৰিব।
- বাস্তৱ জীৱনৰ লগত সংগতি ৰাখি ব্যাকৰণ ব্যৱহাৰ কৰিব পাৰিব।
- নতুনকৈ পোৱা শব্দ জানিবৰ বাবে অভিধান ব্যৱহাৰ কৰিবলৈ শিকিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, লিংগবৈষম্য দূৰীকৰণ, বৰ্ণবৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়ি সমাজত সুস্থ বাতাবৰণ সৃষ্টি কৰিব পাৰিব।
- কৈশোৰ কালৰ বিভিন্ন সমস্যাৰ বিষয়ে পঢ়ি-শুনি জানিব আৰু নিজৰ বাস্তৱ জীৱনত আহিব পৰা সমস্যা সমাধান কৰিব পাৰিব।
- স্বাস্থ্য-নীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে থকা লিখনি পঢ়ি, শুনি এইবোৰ বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।

# ENGLISH

**The learner –**

- participates in activities in English like role play, group discussion, debate, etc.
- recites and shares poems, songs, jokes, riddles, tongue twisters, etc.
- responds to oral messages, telephonic communication in English and communicates them in English or home language
- responds to announcements and instructions made in class, school assembly, railway station and in other public places
- reads a variety of texts in English/Braille and identifies main ideas, characters, sequence of ideas and events and relates with his/her personal experiences
- reads to seek information from notice board, newspaper, Internet, tables, charts, diagrams and maps, etc.
- responds to a variety of questions on familiar and unfamiliar texts verbally and in writing



- uses synonyms, antonyms appropriately deduces word meanings from clues in context while reading a variety of texts
- writes words/phrases/simple sentences and short paragraphs as dictated by the teacher
- uses meaningful sentences to describe/narrate factual/imaginary situations in speech and writing
- refers to dictionary to check meaning and spelling, and to suggested websites for information
- writes grammatically correct sentences for a variety of situations, using noun, pronoun, verb, adverb, determiners, etc.
- drafts, revises and writes short paragraphs based on verbal, print and visual clues
- writes coherently with focus on appropriate beginning , middle and end in English/Braille
- writes messages, invitations, short paragraphs and letters (formal and informal) and with a sense of audience
- visits a language laboratory
- writes a Book Review

# हिंदी

- *हिन्दी के वर्णमाला के अक्षरों की आकृति और ध्वनियों को पहचान पायेंगे।*
- *हिन्दी संख्याओं का ज्ञान प्राप्त कर पायेंगे।*
- *गीत, कविता, कहानी आदि को उपयुक्त उतार-चढ़ाव, गति-प्रवाह और सही पुट के साथ सुना पायेंगे।*
- *चित्र, कार्टून आदि देखकर उसके विषय में हिन्दी में बोल और लिख पायेंगे।*
- *नए-नए शब्द सीख पायेंगे। शब्दों के अर्थ समझकर वाक्य गठन कर पायेंगे।*
- *विविध उद्देश्यों के लिए हिन्दी भाषा का इस्तेमाल करते हुए बातचीत कर पायेंगे; जैसे - कविता, कहानी सुनाना, जानकारी के लिए प्रश्न पूछना, निजी अनुभवों को साझा करना।*
- *स्कूल के बाहर और स्कूल के भीतर (पुस्तक कोना/पुस्तकालय से) अपनी पसंद की किताबों को स्वयं चुन पायेंगे और पढ़ने की कोशिश करेंगे।*
- *अनौपचारिक पत्र लिख पायेंगे।*
- *प्रतिष्ठित कवियों तथा महान व्यक्तियों से परिचित हो पायेंगे तथा उनके कार्यों से प्रेरित होंगे।*
- *व्याकरण संबंधी ज्ञान प्राप्त कर पायेंगे।*
- *भ्रमण से प्राप्त फायदे को जान पायेंगे।*
- *प्रकृति के उपादानों से धैर्य, साहस, कर्त्तव्य, सेवा-भावना आदि सीख पायेंगे।*
- *विभिन्न खेल तथा उससे संबंधित खिलाड़ियों के बारे में जानकारी प्राप्त कर पायेंगे तथा खेल की उपयोगिता के बारे में जान पायेंगे।*
- *आत्मबल तथा आत्मविश्वास बढ़ेंगे।*
- *भारत की अनोखी संस्कृतियों से परिचित हो पायेंगे। राष्ट्रीय प्रेम, राष्ट्रीय पर्वों, त्योहारों आदि के बारे में जान पायेंगे।*

# গণিত

**ছাত্ৰ-ছাত্ৰীয়ে—**

- যোগ-বিয়োগ, পূৰণ আৰু হৰণ আদি উপযুক্ত প্ৰক্ৰিয়া প্ৰয়োগ কৰি ডাঙৰ সংখ্যাৰ সমস্যামূলক অংকবোৰ সমাধান কৰিবলৈ জানিব।
- বিভিন্ন চানেকিৰ সহায়ত সংখ্যাবোৰক যুগ্ম, মৌলিক, পৰস্পৰ মৌলিক আদিত শ্ৰেণীবিভাজন কৰিব পাৰিব।
- বিশেষ পৰিস্থিতিত গঃ সাঃ উঃ আৰু লঃ সাঃ গুঃ কেনেকৈ প্ৰয়োগ কৰিব লাগে জানিব পাৰিব।
- অখণ্ড সংখ্যাৰ সমস্যাবোৰ যোগ আৰু বিয়োগৰ সহায়ত সমাধান কৰিব পাৰিব।
- টকা-পইচা, দৈৰ্ঘ, উষ্ণতা আদিৰ লগত জড়িত বিভিন্ন সমস্যা ভগ্নাংশ আৰু দশমিক ভগ্নাংশ প্ৰয়োগ কৰি সমাধান কৰিবলৈ শিকিব। উদাহৰণস্বৰূপে, $7\frac{1}{2}$ মিটাৰ কাপোৰ, দুখন ঠাইৰ মাজৰ দূৰত্ব 112.5 কিলোমিটাৰ ইত্যাদি।
- দৈনন্দিন জীৱনৰ লগত জড়িত ভগ্নাংশ আৰু দশমিকৰ সমস্যাসমূহত যোগ আৰু বিয়োগ প্ৰয়োগ কৰিবলৈ জানিব।
- পৰিস্থিতি (situation) সাপেক্ষে বেলেগ বেলেগ প্ৰক্ৰিয়াৰে চলক (variable)ৰ ব্যৱহাৰ কৰিবলৈ শিকিব আৰু সাধাৰণীকৰণ কৰিব পাৰিব। উদাহৰণ স্বৰূপে, $x$ একক আৰু 3 একক দৈৰ্ঘৰ বাহুৰ আয়ত এটাৰ পৰিসীমা $2(x+3)$ একক।
- বিভিন্ন পৰিস্থিতিত অনুপাতৰ সহায়ত ৰাশিসমূহ তুলনা কৰিবলৈ শিকিব। যেনে, এটা শ্ৰেণীত ল'ৰা আৰু ছোৱালীৰ অনুপাত 3:2।
- ঐকিক নিয়মেৰে বিভিন্ন সমস্যা সমাধান কৰিব পাৰিব। যেনে, যদি একডজন বহীৰ দাম দিয়া থাকে, তেন্তে 7 খন বহীৰ দাম নিৰ্ণয় কৰি উলিয়াব পাৰিব।
- পৰিৱেশত সহজে পোৱা বিভিন্ন বস্তুৰ উদাহৰণৰ সহায়ত ৰেখা, ৰেখাখণ্ড, খোলা আৰু বন্ধ চিত্ৰ, কোণ, ত্ৰিভুজ, চতুৰ্ভুজ আদি জ্যামিতিক আকৃতিবোৰ বৰ্ণনা কৰিব পাৰিব।
- কোণৰ বিষয়ে বুজিবলৈ ছাত্ৰ-ছাত্ৰীসকলে তলত দিয়াৰ দৰে কৰিব পাৰিব।
  — পৰিৱেশত পোৱা বস্তুৰ পৰা বিভিন্ন কোণ চিনাক্ত কৰিব পাৰিব।
  — কোণৰ জোখ অনুসৰি কোণ বিলাকক শ্ৰেণী বিভাজন কৰিব পাৰিব।



— 45°, 90° আৰু 180° কোণ কেইটাৰ সহায়ত যিকোনো কোণৰ জোখ অনুমান (estimate) কৰিব পাৰিব।

- সমমিতি ৰেখা (line symmetry) বুজিবলৈ ছাত্ৰ-ছাত্ৰীসকলে তলত দিয়া ধৰণে কৰিব—

  — এডাল বা তাতকৈ বেছি সমমিতি ৰেখা থকা দ্বিমাত্ৰিক আকৃতিবোৰ চিনাক্ত কৰিব পাৰিব।

  — দ্বিমাত্ৰিক সমমিতি আকৃতি সাজিব পাৰিব।
- বাহু আৰু কোণৰ ওপৰত ভিত্তি কৰি ত্ৰিভুজৰ শ্ৰেণী বিভাজন কৰিবলৈ শিকিব। উদাহৰণস্বৰূপে, বাহুৰ ওপৰত ভিত্তি কৰি ত্ৰিভুজ বিলাকক সমবাহু, সমদ্বিবাহু আৰু বিষমবাহু ত্ৰিভুজত ভগাব পাৰিব।
- বাহু/কোণৰ ওপৰত ভিত্তি কৰি চতুৰ্ভুজবিলাকক বিভিন্ন ধৰণেৰে ভাগ কৰিবলৈ শিকিব।
- চৌপাশত পোৱা বিভিন্ন ধৰণৰ ত্ৰিমাত্ৰিক বস্তু যেনে গোলক, ঘনক, আয়তীয় ঘনক, চিলিণ্ডাৰ আৰু শঙ্কু আদি চিনাক্ত কৰিব পাৰিব।
- ত্ৰিমাত্ৰিক বস্তুবোৰৰ কাষ (edges), শীৰ্ষবিন্দু (vertices) আৰু তল (faces) বোৰৰ উদাহৰণ দি ব্যাখ্যা কৰিব পাৰিব।
- পৰিৱেশত পোৱা বিভিন্ন আয়তাকৃতিৰ বস্তু যেনে, শ্ৰেণী কোঠাৰ মজিয়া, চক বাকচৰ পৃষ্ঠভাগৰ পৰিসীমা আৰু কালি নিৰ্ণয় কৰিবলৈ পাৰিব।
- এটা পৰিয়ালৰ যোৱা ছয়মাহত বিভিন্ন শিতানত খৰচ হোৱা তথ্যবোৰ সংগ্ৰহ কৰি তালিকা কৰিব পাৰিব আৰু এইবোৰ সচিত্ৰলেখ আৰু দণ্ডলেখত প্ৰকাশ কৰি ব্যাখ্যা কৰিব পাৰিব।

## বিজ্ঞান

### ছাত্ৰ-ছাত্ৰীয়ে—

- আকাৰ, আকৃতি, গঠন, কাম, গোন্ধ ইত্যাদিৰ ভিত্তিত কিছুমান পদাৰ্থ আৰু জীৱ যেনে— উদ্ভিদ, আঁহ, ফুল ইত্যাদি চিনাক্ত কৰিব পাৰিব।
- সুতা আৰু আঁহ, গুচ্ছ আৰু মুখ্য মূল গাঁঠনি, বৈদ্যুতিক পৰিবাহী আৰু অপৰিবাহী আদি পদাৰ্থ আৰু জীৱৰ ধৰ্ম, গঠন, কাম আদিৰ ভিত্তিত পাৰ্থক্য বিচাৰিব পাৰিব।
- পৰ্যৱেক্ষণ কৰি পদাৰ্থ, জীৱ আৰু ইয়াৰ প্ৰক্ৰিয়াবোৰৰ শ্ৰেণীবিভাজন কৰিব পাৰিব। যেনে— দ্ৰৱনীয় আৰু অদ্ৰৱনীয়, স্বচ্ছ, ইষৎ স্বচ্ছ আৰু অস্বচ্ছ পদাৰ্থ; কিছুমান পৰিৱৰ্তন পুনৰ আগৰ অৱস্থাত পাব পাৰি, কিছুমান নোৱাৰি, উদ্ভিদৰ প্ৰকাৰ, যেনে- তৃণ, গুল্ম, বৃক্ষ, লতাজাতীয়, আৰোহীলতা, জৈৱিক আৰু অজৈৱিক উপাদানৰ আৱাসস্থলী; গতি যেনে— সৰল ৰৈখিক গতি, বৃত্তীয় গতি, পৰ্যাবৃত্ত গতি ইত্যাদি।
- কিছুমান প্ৰশ্নৰ উত্তৰ বিচাৰি, উদাহৰণ স্বৰূপে, জীৱ-জন্তুৰ খাদ্যত কি কি ধৰণৰ পৰিপোষক আছে? সকলো ভৌতিক পৰিৱৰ্তন বিপৰীতমুখী হয়নে? মুক্তভাৱে ওলমাই ৰখা চুম্বক এডাল সদায় এক বিশেষ দিশত অৱস্থান কৰেনে? ছাত্ৰ-ছাত্ৰীয়ে অনুসন্ধান কৰিব পাৰিব।
- উদ্ভিদজাত আঁহৰ উন্নীতকৰণ, উদ্ভিদ আৰু প্ৰাণীৰ চলন, ছাঁ গঠন, সমতল দাপোনত পোহৰৰ প্ৰতিফলন, বায়ুৰ উপাদানৰ ভিন্নতা, কেঁচুসাৰ প্ৰস্তুত কৰণ ইত্যাদিৰ প্ৰক্ৰিয়া আৰু পৰিঘটনাবোৰ ব্যাখ্যা কৰিব পাৰিব।
- দৈৰ্ঘ্য, পদাৰ্থৰ পৰিমান, উষ্ণতা ইত্যাদি ভৌতিক ৰাশিসমূহৰ জোখমাখ কৰিব পাৰিব আৰু এচ আই এককত প্ৰকাশ কৰিব পাৰিব।
- জীৱ আৰু প্ৰক্ৰিয়াৰ প্ৰবাহমান মানচিত্ৰ আৰু চিহ্নিতচিত্ৰ আঁকিব পাৰিব। উদাহৰণস্বৰূপে— ফুলৰ বিভিন্ন অংশ, সন্ধি, চেকন, জলচক্ৰ ইত্যাদি।
- পিন্‌হ'ল কেমেৰা, পেৰিস্কোপ, বৈদ্যুতিক টৰ্চ ইত্যাদি, কাষতে উপলব্ধ হোৱা সামগ্ৰীৰে আৰ্হি প্ৰস্তুত কৰি তাৰ কাৰ্যাৱলীৰ বৰ্ণনা কৰিব পাৰিব।
- বৈজ্ঞানিক ধাৰণাসমূহ দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পাৰিব। যেনে— সুষম আহাৰৰ বাবে খাদ্যবস্তুৰ বাচনি, দ্ৰব্যৰ পৃথকীকৰণ, ঋতু অনুযায়ী কাপোৰৰ বাচনি, দিশ নিৰ্ণয় কৰাৰ বাবে কম্পাছ কাটাৰ ব্যৱহাৰ, প্ৰৱল বৰষুণ আৰু খৰাং বতৰৰ লগত মোকাবিলা কৰাৰ দিহা পৰামৰ্শ প্ৰদান ইত্যাদি
- পৰিবেশ সংৰক্ষণৰ ব্যৱস্থা কৰিব, যেনে— খাদ্যবস্তু, পানী, বিদ্যুতৰ অপচয় কম কৰা, আৱৰ্জনাৰ পুনৰাবৰ্তন, বৰষুণৰ পানী সংৰক্ষণ কৰাৰ বাবে সজাগতা অনা, উদ্ভিদৰ যতন ইত্যাদি।
- সততা, যথাৰ্থতা, সহযোগিতা, ভয়মুক্ত আৰু অন্ধবিশ্বাসমুক্ত মূল্যবোধসমূহ দাঙি ধৰিব পাৰিব।
- উপলব্ধ সমলসমূহৰ সদ্ ব্যবহাৰ, পৰিকল্পনা আৰু আৰ্হি প্ৰস্তুতকৰণত সৃজনশীলতাৰ প্ৰদৰ্শন কৰিব পাৰিব।

## সমাজ বিজ্ঞান

### ছাত্ৰ-ছাত্ৰীয়ে—

- গ্ৰহ, নক্ষত্ৰ আৰু উপগ্ৰহ উদাহৰণস্বৰূপে সূৰ্য, পৃথিৱী আৰু চন্দ্ৰৰ পাৰ্থক্য উলিয়াব পাৰিব।
- পৃথিৱীত জীৱৰ অস্তিত্ব থকাৰ বাবে ইয়াক এটি বিশেষ গ্ৰহ হিচাপে জীৱ মণ্ডলৰ প্ৰসংগত চিনাক্ত কৰিব পাৰিব।
- দিন-ৰাতি আৰু ঋতুৰ বিষয়ে প্ৰদৰ্শন কাৰ্য ল'ব পাৰিব।
- মানচিত্ৰত পৃথিৱীপৃষ্ঠৰ ওপৰত দিশ নিৰ্ণয় কৰিব পাৰিব আৰু মহাদেশ, মহাসাগৰ চিনাক্ত কৰিব পাৰিব।
- গোলক আৰু পৃথিৱীৰ মানচিত্ৰত অক্ষাংশ, দ্ৰাঘিমাংশ সম্পৰ্কীয়, যেনে— মেৰু, বিষুৱ ৰেখা, ক্ৰান্তীয় ৰেখা, ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল আৰু অন্যান্য প্ৰতিৱেশী দেশ চিনাক্ত কৰিব পাৰিব।
- ভাৰতৰ মানচিত্ৰত প্ৰাকৃতিক উপাদানসমূহ, যেনে— পাহাৰ, পৰ্বত, মালভূমি, সমতল, নদ-নদী, মৰুভূমি ইত্যাদি চিনাক্ত কৰিব পাৰিব।

